দিনাংক- - ১৪ এপ্ৰিল ২০১৪

অভিযানসূচী - ১৪/৪/২০১৪

অৰুণ জেটলী

ৰাজ্য সভাৰ বিৰোধী দলৰ নেতা

কংগ্ৰেছ দল বেয়াকৈ আৰেগিক হোৱা দেখিব'লৈ পোৱা গৈছে । ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ ২ খন খবৰ কাকতে যোৱাকালি দিয়া প্ৰতিবেদনত কংগ্ৰেছ দলৰ মাজত কি হৈ আছে তাকে প্ৰকাশিত কৰিছে । প্ৰথম প্ৰতিবেদনৰ মতে নৰেন্দ্ৰ মোদীক বাধা দিব'লৈ কংগ্ৰেছ দলে প্ৰিয়ংকা গান্ধীক বানাৰসৰ পৰা নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে প্ৰতিদন্দিতা কৰোৱাৰ সিদ্ধান্ত লৈছে । আৰু আনটো প্ৰতিবেদনৰ মতে কংগ্ৰেছী মুখ্যমন্ত্ৰী সকলক স্পষ্টভাৱে কৈ দিয়া হৈছে যে যদি তেওঁলোকে জয়লাভ কৰিব নোৱাৰে তেওঁলোকক বদলি কৰি দিয়া হ'ব ।

এই দুয়োটা প্ৰতিবেদনেই যদি সচাঁ তেন্তে ই ইয়াকেই প্ৰমাণিত কৰিছে যে কংগ্ৰেছ দল সত্যতাৰ পৰা কিমান আতঁৰত আছে । গান্ধীয়ান ৰাজ সমাপ্ত হৈছে । ১৯৭৭ চনৰ সাধাৰণ নিৰ্বাচনৰ সময়ত ইন্দিৰা গান্ধী আৰু সঞ্জয় গান্ধীৰ যি অৱস্থা আছিল, ঠিক তেনে পৰিস্থিতিয়েই এতিয়া হৈ আছে । অৰ্থনীতিৰ জনপ্ৰিয়তাইও কামত নিদিলে । পৰিয়ালবৰ্গৰ সন্মোহন শক্তিও হ্ৰাস পাইছে । কিন্তু এটা পৰিয়াল কেন্দ্ৰীক দলে ভাৱিব লাগে যে, তেওঁলোকৰ বৰ্ত্তমানৰ নেতৃত্ব ঠিক নহয় । এই সমস্যাৰ সমাধান হিচাপে কংগ্ৰেছে নিজকে সৱল কৰিব লাগিব । কংগ্ৰেছ দলৰ মতে পৰিয়ালৰ এজন অসফল হ'লে বিকল্প হিচাপে কেৱল পৰিয়ালৰ আনজন সদস্যক পাতি দিলে সমস্যাৰ সমাধান হ'ব । মোৰ পূৰ্বৰ লিখা বোৰত মই এনে হ'ব বুলি ভাৱি ইতিমধ্যে লিখিছিলো । মই আশা কৰিম যে বাৰানসী সমাধান সমূহ প্ৰকৃততে কাৰ্য্যকৰী হ'ব । জনসাধাৰণে এতিয়া আন পৰিয়াল কেন্দ্ৰিক নেতাৰ ওপৰত পৰম্পৰাগত বিশ্বাস নোহোৱা কৰিব লাগে ।

কংগ্ৰেছৰ মুখ্যমন্ত্ৰীক লৈ কোনো সমস্যা নাই । যদি কংগ্ৰেছ এই নিৰ্বাচনত পৰাজয় হয় তেন্তে এইয়া তেওঁলোকৰ মুখ্যমন্ত্ৰীৰ বাবে নহ'ব । ইয়াৰ কাৰণ হ'ব তেওঁলোকে যেনেদ্বৰে চৰকাৰ চলাইছে আৰু ৰাহুল গান্ধীৰ আদৰ্শবিহীন ব্যক্তিত্ব । তেওঁলোকৰ সমস্যা নিজৰ পৰিয়ালৰ মাজত আছে, তেওঁলোকে বলিৰ পঠা সজাব'লৈ বাহিৰৰ কাৰোবাৰ বাবে ৰৈ আছে কিয় ?

## এটা শান্তিপূৰ্ণ নিৰ্বাচনত কেপ্তেইন অমৰিন্দ্ৰৰ সিঙ

কেপ্তেইন চাহেবৰ কোনো নিৰ্বাচনৰ পৰ্য্যায় হ্ৰাস কৰাৰ অকলে ক্ষমতা আছে । নিৰ্বাচনৰ সময়ত তেওঁ বিতৰ্কিত বিষয়ৰ ওপৰত একো মত নিদিয়ে । মই মোৰ সদস্য, বন্ধুবৰ্গ, কৰ্মকৰ্ত্তা আৰু মোক ভাল পোৱা লোকক অনুৰুধ কৰিছো যে অমৃতস্বৰত আমি বিনম্ৰতা, নম্ৰতা আৰু উচিত বিষয়ৰ ওপৰত আমি এই নিৰ্বাচনত যোগ দিম । অমৃতস্বৰৰ জনসাধাৰণৰ মাজত আগন্তুক প্ৰধানমন্ত্ৰী হিচাপে নৰেন্দ্ৰ মোদীক লৈ বহুত আশা কৰা

পৰিলক্ষিত হৈছে । মোক লৈ আৰু আমি উত্থাপন কৰা বিষয়ক লৈ জনসাধাৰণৰ পৰা সহাঁৰি পাম বুলি আশা আছে । আমি কোনো পথ্যে এই কাৰ্য্যক্ৰমণিকাৰ পৰা বিচলিত হ'ব নোৱাৰো ।

কেপ্তেইন চাহেবে মোক ভুৱা পঞ্জাৱী বুলি কৈছে । তেওঁৰ দ্বৰে মোৰো গাত মাঝা তেজ আছে । মই প্ৰতিশ্ৰুতি দিছো যে যিহেতু অমৃতস্বৰ মোৰ পূৰ্ব বংশধৰৰ চহৰ, সেয়েহে মোৰ ঘৰ ইয়াতে থাকিব । সেই প্ৰতিশ্ৰুতিক মই কাৰ্য্যকৰী কৰিছো । কিন্তু কেপ্তেইন চাহেবে কি কৰিলে ? তেওঁক লগ পাব'লৈ বহুত দিন ধৰি পাটিয়ালা হাউচৰ ওচৰত ৰৈ থাকিব লাগিব নেকি ?